بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বদৰৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনা সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২১ জুলাই ২০২৩ চনত মছজিদ বায়তুল ফুতুহ মোৰ্ডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বদৰৰ যুদ্ধ শেষ হোৱাৰ পিছত যুদ্ধ বন্দী সকলৰ লগত আঁহজৰত (ছাঃ)ৰ সদ আচৰণ সম্পৰ্কে তবকাতে ইবনে ছাআদত লিখিছে যে যেতিয়া বদৰৰ কয়েদী সকলক লৈ অনা হৈছিল তেওঁলোকৰ মাজত আঁহজৰত (ছাঃ)ৰ খুৰাদেউ হজৰত আববাছ (ৰাঃ)য়েও আছিল। সেই দিনাখন ৰাতি আঁহজৰত (ছাঃ)য়ে টোপনিত যোৱা নাছিল তেতিয়া চাহাবা সকলৰ কোনো এজনে সুধিছিল যে হে আল্লাহৰ নবী ! আপুনি কিহৰ চিন্তাত টোপনি যোৱা নাই ? উত্তৰত কৈছিল মোৰ খুৰা আববাছৰ কেঁকনিত মই টোপনি যাব পৰা নাই। তেতিয়া কোনোবা এজনে গৈ হজৰত আববাছ (ৰাঃ)ৰ বান্ধন ঢিলা কৰি দিছিল আৰু তেখেতৰ কেঁকনি বন্দ হৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে তেতিয়া কৈছিল তেন্তে সকলো কয়েদীৰ সৈতে এনেকুৱা আচৰণেই কৰা যাওঁক।

ছিৰাত খাতামান নাবীঈনত হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে লিখিছে যে আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক কয়েদী সকলৰ সৈতে দয়া আৰু কোমল আচৰণ প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিছিল আৰু তেওঁলোকৰ কোনো কষ্ট যাতে নহয় সেই ফালে দৃষ্টি ৰাখিবলৈ কৈছিল। চাহাবা সকলে নিজৰ প্ৰেমময় গুৰুজনাৰ সকলো ইচ্ছা পূৰণ কৰাৰ আশা পালি থাকিছিল। যাৰ ফলত আঁহজৰত (ছাঃ)ৰ এই আদেশ সৰ্বোপৰি মানি লৈ সেই মতে কাম কৰে, সেয়ে এনেকুৱা কাৰ্যৰ দৃষ্টান্ত পৃথিৱীৰ কোনো ইতিহাসত বিচাৰি পাবলৈ নাই।

ছাৰ উইলিয়াম মৌৰ আঁহজৰত (ছাঃ) আৰু চাহাবা সকলৰ এই সহৃদয়ত আৰু কয়েদী সকলৰ লগত কৰা বন্ধুত্ব সুলভ আচৰণ সম্পৰ্কে তলত দিয়া বৰ্ণনাৰ দৰে বিশ্বাস কৰিছে।

মহম্মদ (ছাঃ)ৰ নিৰ্দেশ অনুযায়ী আনছাৰ আৰু মুহাজেৰিণ সকলে কাফিৰৰ কয়েদী সকলৰ লগত বৰ কোমল

আৰু স্নেহ পূৰ্ণ আচৰণ কৰিছিল। সেয়ে কিছুমান কয়েদীৰ বৰ্ণিত সাক্ষী ইতিহাসত উল্লেখ আছে যে- মদিনাবাসীলৈ আল্লাহ তা'লা মঙ্গল ও কৃপা দান কৰক; তেওঁলোকে আমাক আৰোহন কৰাই লৈ গৈছিল আৰু নিজে খোজ কাঢ়ি গৈছিল। তেওঁলোকে আমাক ভঁজা ৰুটি খোৱাই নিজে কেৱল খেজুৰ খাই থাকিছিল। সেয়ে আমি এয়া জানিব পাৰি আচৰিত হোৱা নাছিলো যে কিছুমান কয়েদীয়ে মুছলমান হৈ গৈছে আৰু যিসকলে মুছলমান হোৱা নাছিল তেওঁলোকক মুক্তি দিয়া হৈছে। যিয়েই নহওঁক এওঁলোকৰ ওপৰত এই সদ আচৰণৰ বাৰুকৈয়ে প্ৰভাৱ পৰিছিল।

বদৰৰ যুদ্ধ আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে লিখিছে যে- যেতিয়া হজৰত আব্দুল্লাহ (ৰাঃ) য়ে যুদ্ধ বিজয়ৰ বাৰ্তা লৈ হজৰত জায়েদ বিন হাৰছা, এই দুয়ো জনে মদিনাত উপস্থিত হৈছিল তেতিয়া এওঁলোকৰ মুখত বিজয়ৰ সু-সংবাদ শুনি আল্লাহৰ শত্ৰু কাআব বিন আশ্ৰাফ ইহুদীয়ে এয়া মিছা খবৰ বুলি সাব্যস্ত কৰি কবলৈ লৈছিল যে- যদি মহম্মদ (ছাঃ)য়ে এই ডাঙৰ ডাঙৰ চৰদাৰ আৰু বিত্তশালী ব্যক্তি সকলক মাৰি পেলাইছে তেন্তে আমি মাটিৰ ওপৰত থকাতকৈ তলত থকাই উত্তম হ'ব অৰ্থাৎ জীয়াই থকাতকৈ মৃত্যু বৰণ কৰাই ভাল হ'ব।

মৌলানা শিবলি নুমানিয়ে নিজৰ কিতাপত বদৰৰ যুদ্ধৰ ফলাফল বৰ্ণনা কৰোঁতে লিখিছে যে বদৰৰ যুদ্ধই ধৰ্মীয় আৰু দেশীয় পৰিস্থিতিৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল আৰু দৰাচলতে এয়া ইছলামৰ উন্নতিৰ প্ৰথম খোজ আছিল। কুৰাইছৰ ডাঙৰ ডাঙৰ চৰদাৰ আৰু বৃত্তিশালী ব্যক্তি আৰু শত্ৰুবিলাক যিসকলৰ প্ৰত্যেকেই ইছলামৰ উন্নতিৰ বাটত বাধাৰ প্ৰাচীৰ আছিল সেই সকলোৱেই নিচিহ্ন হৈ গৈছিল।

উতবা আৰু আবু জাহিলৰ মৃত্যুয়ে কুৰাইছৰ শাসন ভাৰ আবু ছুফিয়ানৰ হাতত গতাই দিছিল যাৰ ফলত কুৰাইছ সকল ধনমালৰ ক্ষেত্ৰত উন্নতি কৰিছিল যদিও কুৰাইছ সকলৰ আচল শক্তি ও বলবীৰ্যৰ পতন ঘটিছিল। মদিনাত তেতিয়া আব্দুল্লাহ বিন আবি বিন ছুলেল কাফিৰ হিচাপে ঘোষিত আছিল যদিও তেওঁ পৰাপক্ষত ইছলামৰ ভিতৰত আহি গৈছিল সেয়ে তেওঁ গোটেই জীৱন মুনাফিক হৈ থাকিছিল আৰু তেনেদৰেই মৃত্যু বৰণ কৰে। বদৰত হোৱা মুছলমান সকলৰ বিজয়ে কাফিৰ সকলৰ হিংসাৰ জুই দপদপাই জ্বলাই তুলিছিল আৰু তেওঁলোকে সেয়া নিয়ন্ত্ৰণ কৰিব পৰা নাছিল। কুৰাইছ সকলে প্ৰথমতে কেৱল হুজৰিমৰ বাবে শোকাকুল আছিল, বদৰৰ পিছত কুৰাইছৰ ঘৰে ঘৰে শোকে ছানি ধৰে আৰু বদৰৰ মৃত্যু হোৱা সকলৰ প্ৰতিশোধ লোৱাৰ বাবে মক্কাৰ ল'ৰা বুঢ়ায় সমানে থিয় দিয়ে। গতিকে ছৱেকৰ ঘটনা আৰু উহুদৰ যুদ্ধ সংঘটিত হয়।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে বদৰৰ যুদ্ধৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া কাফিৰ আৰু মুছলমান সকলৰ বাবে অৰ্থাৎ দুয়োপক্ষৰ বাবেই বৰ গভীৰ আছিল। সেই হেতুকে ইছলামী ইতিহাসত এই যুদ্ধৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। ইমানেই যে কোৰাণ চৰিফত এই যুদ্ধৰ নাম ইয়াওমুল ফুৰকান ৰখা হৈছে। অৰ্থাৎ এয়া সেই দিন যিদিনা ইছলাম আৰু কুফাৰৰ মাজত মুকলিমুৰীয়া ভাৱে এটা ৰায় প্ৰদান কৰা হৈছে। বদৰৰ যুদ্ধৰ পিছত কুৰাইছ আৰু মুছলমান সকলৰ মাজত যুদ্ধ অৱশ্যে আৰু হৈছে আৰু সেই যুদ্ধ বিলাকত মুছলমান সকলে বহুতো বিপৰ্যয়ৰ সন্মুখীন হ'ব লগা হৈছে কিন্তু বদৰৰ যুদ্ধত কাফিৰে মক্কাৰ অৰ্থাৎ কুৰাইছ সকলৰ মেৰুদণ্ড ভাঙি পৰিছিল। যি অৱস্থাটো কাফিৰ সকলে পিছত আৰু ঠিক ঠিক কৰি ল'ব পৰা নাছিল। নিহত যুদ্ধাৰ সংখ্যাৰ ফালৰ বিপৰ্যয় নহয়। কাৰণ কুৰাইছৰ দৰে ডাঙৰ সম্প্ৰদায় এটাৰ ৯০/৯২ জন লোকৰ মৃত্যু হোৱাটো কেতিয়াও এই সম্প্ৰদায়টোৰ বিনাশ হোৱা বুলি ক'ব পৰা নাযায়। তেন্তে কোনটো উদ্দেশ্য লৈ বদৰৰ যুদ্ধক ইয়াউমুল ফুৰকান বুলি কোৱা হৈছে ? এই প্ৰশ্নৰ উত্তৰৰ বাবে উত্তম শব্দবোৰ হ'ল সেয়া যিবোৰ কোৰাণ চৰিফত বৰ্ণিত হৈছে যেনে **ইয়াকতাআ দাবিৰা কাফিৰিনা** অৰ্থাৎ অৱশ্যই সেইদিনা খন কাফিৰ সকলৰ মূল ওভালি পৰিছিল অৰ্থাৎ বদৰৰ যুদ্ধৰ আঘাত কাফিৰ সকলৰ মূলৰ ওপৰত লাগিছিল আৰু ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈছিল।

বদৰৰ যুদ্ধত সঁচাকৈয়ে কুৰাইছ সকলৰ মূল ওভালি পৰিছিল, উতবা আৰু শ্বইবা আৰু উমিয়া বিন খালফ, উকবা বিন আবি মইয়েত, আৰু নজৰ বিন হাৰিছ আদি কৰি লোক সকল কুৰাইছ সম্প্ৰদায়ৰ জীৱনদান কৰা লোক আছিল। এওঁলোকৰ মৃত্যুত কুৰাইছ সম্প্ৰদায় দুৰ্বল মূখী হৈ পৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই সম্পৰ্কে লিখিছে যে ইয়াত কোনো সন্দেহ নাই যে মুছলমান সকলৰ ওপৰত ইয়াৰ পিছতও বহু নিৰ্যাতন, সমস্যা আদি আহিছিল আৰু কাফিৰ সকলৰ লগত যুঁজিব লগা হৈছিল। যিয়েই নহওঁক ইয়াত কোনো সন্দেহ নাই যে বদৰৰ যুদ্ধৰ পৰালৈ কাফিৰ সকলৰ শক্তি ভাঙি পৰিছে, দুৰ্বল হৈ পৰিছে। আনহাতে মুছলমান সকলৰ উদ্যম আৰু শক্তি সিহঁতৰ ওপৰত গধুৰ হৈ পৰিছে। বদৰৰ যুদ্ধক যেনেকৈ কোৰাণ কৰিমত ইয়াওমুল ফুৰকান আখ্যা দিছে তেনেকৈ বাইবেলতও ভৱিষ্যত বাণীৰ উল্লেখ পোৱা যায়। এনেদৰে কোৰাণ কৰিমে এটা এঘাৰ নং ৰাতিৰ খবৰ সংস্থাপন কৰি এয়া ভৱিষ্যত বাণী কৰিছিল যে হিজৰতৰ পৰা পূৰ্ণ এবছৰ পিছত কাফিৰ সকলৰ সকলো শক্তিৰ বিনাশ ঘটিব আৰু মুছলমান সকলৰ বাবে বিজয়ৰ পূৰা উদয় হ'ব। গতিকে ঠিক এবছৰ পিছতেই এই বদৰৰ যুদ্ধ সংগঠিত হৈছে আৰু য'ত কাফিৰ সকলৰ ডাঙৰ ডাঙৰ নেতা মাৰা পৰিছে আৰু মুছলমান সকলে সিহঁতৰ ওপৰত এটা দৃষ্টান্তমূলক বিজয় লাভ কৰিছে। বদৰি চাহাবা সকলৰ গুৰুত্ব আৰু ফজিলত ইয়াৰ পৰাও অনুমান কৰিব পৰা যায় যে আঁহজৰত (ছাঃ)য়ে এই উম্মতৰ মাজত আহিবলগীয়া মেহেদীৰ এটা নিদৰ্শন এয়া নিৰ্দ্ধাৰণ কৰিছে তাৰ ওচৰতও এখন কিতাপ থাকিব, যাৰ মাজত বদৰৰ দৰে ৩১৩ জন চাহাবাৰ নাম থাকিব।

হজৰত আকদছ মছিহ মাওউদ (আঃ)য়ে কৈছে যে যিহেতু হাদীছ ছহীৰ মাজত লিখা আছে যে মেহেদী মাওউদৰ ওচৰত এখন মুদ্ৰিত কিতাপ থাকিব য'ত তেখেতৰ ৩১৩ জন চাহাবাৰ নাম লিখা থাকিব সেয়ে এয়া বৰ্ণনা কৰাৰ প্ৰয়োজন আছে যে সেই ভৱিষ্যত বাণী আজি পূৰ্ণ হৈ গৈছে। এয়া স্পষ্ট কথা যে আগতে উম্মতে মৰহুমাৰ মাজত এনেকুৱা ব্যক্তিৰ জন্ম হোৱা নাই যে যিজনে মেহদীয়তৰ দাবী কৰিছে আৰু তেতিয়া ছপাশালও থাকিল হেঁতেন আৰু তাৰ ওচৰত এখন কিতাপও থাকিলহেঁতেন আৰু কিতাপখনত ৩১৩ টা নামও লিখা থাকিল হয় আৰু স্পষ্ট কথা হ'ল এয়া যে যদি এই কাম মানৱৰ আয়ত্বাধীনত থাকিল হয় তেন্তে ইয়াৰ আগতে কেইবাজন মিছলীয়া দাবীদাৰে ইয়াৰ সত্যতা নিজৰ ঠাইত বনাই ললেহেঁতেন।

শ্বেইখ আলী হামজা বিন আলি মালিক আলজুছিয়ে নিজৰ কিতাপ জুৱাহেৰুল ইছৰাৰত মছিহ মাওউদ (আঃ)ৰ বিষয়ে লিখিছে যে মেহেদী সেই গাওঁখনৰ পৰা ওলাব, যাৰ নাম হ'ব কাদা। আকৌ আৰু কৈছে যে খোদা তা'লা সেই মেহেদীৰ সত্যায়ন কৰিব আৰু দুৰ-দুৰণীৰ পৰা আনি তাৰ বন্ধু জমা কৰিব, যাৰ সংখ্যা বদৰত যোগ দিয়া চাহাবাৰ সংখ্যাৰ সমান হ'ব অৰ্থাৎ ৩১৩ জন হ'ব আৰু তেওঁলোকৰ নাম ছপা কৰা কিতাপত লিখা থাকিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে- এয়া স্পষ্ট হৈ আছে যে ইয়াৰ আগতে কোনেও নিজকে মেহেদী মাওউদ বুলি দাবী কৰাৰ সুযোগ পোৱা নাই আৰু কাৰো ওচৰত মুদ্ৰিত কিতাপও নাছিল যে তাত তাৰ বন্ধু সকলৰ নাম লিখা থাকিব। কিন্তু সকলোৰে আগত মইয়ে আয়নায়ে কামালাতে ইছলাম নামক পুস্তকত ৩১৩ টা নাম লিখিছো আৰু এতিয়া আকৌ মই প্ৰমাণ স্বৰূপে তিনিশ তেৰটা নাম (ৰছালা আনজামে আথম)ত লিখিলো। চৈধ্যশ শতাব্দীয়েই হ'ল সেই শতাব্দী যাৰ সম্পৰ্কে মহিলা পৰ্যন্তই কৈছিল যে চৈধ্যশ শতাব্দীয়ে কল্যাণ বৈ আনিব। খোদা তা'লাৰ কথা পূৰ্ণ হৈছে আৰু চৈধ্যশ শতাব্দীত আল্লাহ তা'লাৰ ইচ্ছা অনুযায়ী নামে আহমদৰ প্ৰতিচ্ছবি প্ৰস্ফুটিত হ'ল আৰু সেইজন হলো মই, যাৰ ফালে এই ঘটনা বদৰত ভৱিষ্যবাণী কৰা হৈছিল। যাৰ বাবে ৰছুলুল্লাহ (ছাঃ)য়ে ছালাম ৰাখি থৈ গৈছে। কিন্তু পৰিতাপৰ বিষয় হ'ল এয়া যে যেতিয়া সেই দিনটো আহিল আৰু চৈধ্যশৰ চন্দ্ৰ উদয়

হ’ল আৰু সকলো দোকানদাৰ স্বাৰ্থপৰ হৈ পৰিল। পৰিতাপ সেই সকললৈ যি সকলে দেখিও নেদেখিলে, পাইও নাপালে। সেইজনৰ মৃত্যু হ’ল, যিজনে মিম্বাৰত থিয় দি কান্দিছিল যে চৈধ্যশ শতাব্দীত এয়া হ’ব আৰু তেওঁলোকে বাকী থাকিল। আজি মিম্বাৰত থিয় দি সিহঁতে কয় যিজনে আহিছে, তেওঁ মিছলীয়া। এওঁলোকৰ কি হৈছে, এওঁলোকে কিয় দেখিবলৈ নেপায় আৰু কিয় চিন্তা নকৰে।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ১৭ ফেব্ৰুৱাৰী ১৯০৪ চনৰ ডাইয়েৰীত থকা ইলহাম “ বদৰৰ যুদ্ধৰ কথা নাপহৰিবা ” এই সম্পৰ্কে কয় যে আল্লাহ তা’লা আমাৰ মাজত বদৰ যুদ্ধৰ গুৰুত্ব বুজাৰ সামৰ্থ্য দান কৰক আৰু আমি যাতে আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাস হজৰত মছীহ মাওউদ (আঃ)ক বুজিব পৰা হওঁ। আল্লাহ তা’লা উম্মতে মুছলিমাক বদৰ ঘটনাৰ গুঢ়াৰ্থ বুজাৰ তৌফিক দান কৰক আৰু আঁহজৰত (ছাঃ)ৰ দাসত্বত অহা মছীহ মাওউদক চিনি পাওঁক যাতে দ্বিতীয়বাৰ আকৌ মুছলমান সকলে নিজৰ হেৰুৱা মহত্ব ঘূৰাই পোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰে।

দ্বিতীয় খোতবাৰ আগত হুজুৰ আনোৱাৰ (আইঃ)য়ে বৰ্ণনা কৰে যে ইনশা আল্লাহ অহা জুমাৰ দিনাৰ পৰা জামাতে আহমদীয়া বৃটেইনৰ বাৎসৰিক জলছা আৰম্ভ হ’ব। এই বছৰ যোৱা তিনি চাৰি বছৰ পিছত বৰ্হিদেশৰ পৰা জলছাত অতিথি আহিব আৰু তেওঁলোকৰ ইয়ালৈ অহা আৰম্ভ হৈ গৈছে। আল্লাহ তা’লা তেওঁলোকৰ ভ্ৰমণ সহজ কৰি দিয়ক আৰু নিৰাপদে ইয়াত আহি পোৱাৰ উপায় উলিয়াই দিয়ক। যাতে তেওঁলোকে জলছাৰ প্ৰকৃত কল্যাণ লাভ কৰিব পাৰে। এনেদৰে বৃটেইনত থকা জামাতৰ সদস্য বৃন্দই প্ৰকৃত হৃদয় আৰু আগ্ৰহেৰে জলছাত যোগদান কৰক। সকলোৱে যেন এই কথাখিনি মনত ৰাখে যে জলছাৰ দিন কেইটাত আমি ৰূহানি খোৰাক লাভ কৰাৰ চেষ্টা কৰিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে জলছাত যোগদান কৰা প্ৰত্যেকজন ব্যক্তিক হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি বুলি ভাৱি খিদমত কৰাৰ বিষয়ে জলছাত কৰ্মী আৰু বিভিন্ন বিভাগীয় কৰ্মকৰ্তা সকলৰ দায়িত্ব আৰু অতিথি সৎকাৰ সম্পৰ্কে নচিহত কৰি কয় যে প্ৰত্যেকেই আঁহজৰত (ছাঃ)ৰ এই নিৰ্দ্দেশনাৰ ওপৰত আমল কৰিব লাগিব যে সদায় হাঁহি মুখেৰে অতিথি আলপৈচান ধৰিব ধৈৰ্য প্ৰদৰ্শন কৰিব। আল্লাহ তা’লা সকলো কৰ্মী বৃন্দক নিজৰ নিজৰ দায়িত্ব সুন্দৰ ভাৱে পালন কৰাৰ তৌফিক দান কৰক। জলছা সকলো ফালেৰে অশেষ কল্যাণেৰে ভৰপুৰ কৰি দিয়ক। সকলো আহমদী সদস্যই এই জলছাৰ কৃতকাৰ্যতাৰ বাবে দোৱা কৰিব। আল্লাহ তা’লা আমাক এই মহান দায়িত্ব পালনৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844